# NSD NEWS BULLETIN
# ALL INDIA RADIO, GUWAHATI
# 0000000000

**Date :** 04-02-2025
**Time :** 1205 hrs

ASSAMESE MIDDAY BULLETIN

::::::::::::::::::

মুখ্যমন্ত্ৰী ড০ হিমন্ত বিশ্ব শৰ্মাই আজি লোকপ্ৰিয় গোপীনাথ বৰদলৈ আন্তৰ্জাতিক বিমান বন্দৰৰ বৰ্তমানৰ টাৰ্মিনেলৰ পুনৰ উন্নীতকৰণ প্ৰকল্পৰ শুভ উদ্বোধন কৰে। এই প্ৰকল্পৰ অধীনত বিমান বন্দৰটোৰ সন্মুখৰ এলেকা ২৭০ বৰ্গমিটাৰৰ পৰা এহেজাৰ বৰ্গমিটাৰলৈ বৃদ্ধি কৰা হৈছে। তদুপৰি প্ৰায় ৯০০ বৰ্গমিটাৰৰ অতিৰিক্ত পদপথৰো ব্যৱস্থা কৰা হৈছে। চাৰিখন নতুন ডিজি যাত্ৰা প্ৰবেশদ্বাৰকে ধৰি বিমান বন্দৰৰ প্ৰবেশ পথ ৮টাৰ পৰা ১৪টালৈ আৰু প্ৰস্থানৰ পথ ৩টাৰ পৰা চাৰিটালৈ বৃদ্ধি কৰা হৈছে। একেদৰে বিমান বন্দৰৰ নিৰাপত্তা প্ৰৱেশ এলেকা ৩০০ৰ পৰা ৪০০ বৰ্গমিটাৰলৈ বৃদ্ধি কৰা হৈছে।

এই টাৰ্মিনেলৰ পুনৰ উন্নীতকৰণে যাত্ৰীসকলক উন্নত আৰু আধুনিক সা-সুবিধা প্ৰদান কৰিব। টাৰ্মিনেলত ডিজিটেল মাধ্যমযোগে উত্তৰ-পূবৰ প্ৰতিখন ৰাজ্যৰ কলা-সংস্কৃতি প্ৰদৰ্শনৰ ব্যৱস্থা কৰা হৈছে।

০০০০০০০

বিগত ১০ বছৰত অসমৰ লগতে উত্তৰ পূৰ্বাঞ্চলত এহেজাৰ ৮২৪ কিলোমিটাৰ ৰেলপথৰ সম্প্ৰসাৰণ হৈছে বুলি মুখ্যমন্ত্ৰী ড০ হিমন্ত বিশ্ব শৰ্মাই প্ৰকাশ কৰিছে। এই সম্প্ৰসাৰণে প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদী নেতৃত্বাধীন চৰকাৰৰ উত্তৰ-পূৰ্বাঞ্চলক অগ্ৰাধিকাৰ দিয়াৰ নীতিকে প্ৰতিফলিত কৰে বুলি মুখ্যমন্ত্ৰীয়ে উল্লেখ কৰে। এইবাৰৰ বাজেটত অঞ্চলটোৰ ৰেল আন্তঃগাঁথনিৰ বাবে ১০ হাজাৰ ৪৪০ কোটি টকা আৱণ্টন দিয়াৰ লগতে অসমত ৭৪ হাজাৰ ৯৭২ কোটি টকা ব্যয় সাপেক্ষ নতুন ৰেল প্ৰকল্পও স্থাপন হ'ব বুলি মুখ্যমন্ত্ৰীয়ে উল্লেখ কৰে। ২৫ আৰু ২৬ ফেব্ৰুৱাৰীত গুৱাহাটীত হ'বলগীয়া এডভাণ্টেজ আছাম শীৰ্ষক বিনিয়োগ আৰু আন্তঃগাঁথনি সন্মিলনৰ দ্বিতীয় সংস্কৰণৰ পূৰ্বে যোৱা দুদিনত নতুন দিল্লীত কেইবাগৰাকীও কেন্দ্ৰীয় মন্ত্ৰী আৰু শীৰ্ষ নেতাক সাক্ষাৎ কৰাৰ পাছত অসমত বিনিয়োগৰ সুচল পৰিৱেশৰ প্ৰসংগত মুখ্যমন্ত্ৰীয়ে এই কথা উল্লেখ কৰে। ড০ শৰ্মাই কালি এডভাণ্টেজ আছাম সন্মিলনৰ পৰিপ্ৰেক্ষিতত কেন্দ্ৰীয় বৈদেশিক পৰিক্ৰমা মন্ত্ৰী ডঃ এছ্ জয়শংকৰক নতুন দিল্লীত সাক্ষাৎ কৰে।

০০০০০০০

ৰাজ্যৰ ১২ হাজাৰ ৩৭৫ খন বিদ্যালয়ক সামৰি অনুষ্ঠিত গুণোৎসৱৰ তৃতীয় পৰ্যায়ৰ কালি প্ৰথম দিনৰ কাৰ্যসূচী সফলভাৱে সম্পন্ন হয়। কালি প্ৰথমদিনা ৯ লাখ ৮১ হাজাৰ ৫৬৫ গৰাকী শিক্ষাৰ্থীৰ স্ব-মূল্যায়ন কৰা হয়।

ডিব্ৰুগড় জিলাৰ মৰাণৰ খোৱাং প্ৰাথমিক শিক্ষা খণ্ডৰ ৩১৩খন বিদ্যালয়ত গুণোৎসৱ অনুষ্ঠিত হৈছে।

মাজুলী জিলাৰ ৪৯৬ খন বিদ্যালয়ত মাজুলীৰ বিধায়ক ভূবন গাম, জালুকবাৰী উপ বন সংৰক্ষক বিষয়া দিম্পী বৰা, বশিষ্ঠ উপ-বন সংৰক্ষক বিষয়া শৈলেন দাস আৰু অসম শক্তি বিভাগৰ যুটীয়া সচিব মধুচন্দ্ৰ তালুকদাৰে আজিৰেপৰা বহিঃমূল্যায়নত ভাগ ল'ব।

উল্লেখযোগ্য যে ডিব্ৰুগড়, বিশ্বনাথ, দৰং, মৰিগাঁও, বঙাইগাঁও, কাছাৰ, ডিমা হাচাও, গোৱালপাৰা, মাজুলী আৰু নলবাৰী জিলাত অহা ৭ ফেব্ৰুৱাৰীলৈ তৃতীয় পৰ্যায়ৰ গুণোৎসৱ অনুষ্ঠিত হ'ব। এই পৰ্যায়ত মুঠ ৪ হাজাৰ ৯৬৭ গৰাকী বহিঃমূল্যায়কে ১১ লাখ ৩৮ হাজাৰ ২৭৫ গৰাকী শিক্ষাৰ্থীৰ বহিঃমূল্যায়ন কৰিব।

0000000

১৯৯১ চনৰ পৰা ২০০১ চনৰ ভিতৰত চৰকাৰীভাৱে নিযুক্তিপ্ৰাপ্ত ভালেমান বেতন বঞ্চিত শিক্ষকৰ চাকৰি নিয়মীয়াকৰণৰ বিষয়ত কালি লখিমপুৰ জিলাৰ উত্তৰ লখিমপুৰ প্ৰেছক্লাবত এখন সংবাদমেলৰ আয়োজন কৰা হয়। চৰকাৰীভাৱে নিযুক্তি পোৱা বহুসংখ্যক শিক্ষক-শিক্ষয়িত্ৰী আজি পৰ্যন্ত চাকৰি নিয়মীয়াকৰণ নোহোৱাৰ বাবে যোৱা ৯ আৰু ১০ জানুৱাৰীত শিক্ষক সন্থাই গুৱাহাটীৰ চচলত অনশন কাৰ্যসূচী ৰূপায়ণ কৰাৰ কথাও সংবাদমেলত উল্লেখ কৰা হয়। চৰকাৰী পক্ষই শিক্ষকসকলৰ আবেদন সন্দৰ্ভত ১৫ দিনৰ ভিতৰত আলোচনাত মিলিত হৈ সমস্যা সমাধানৰ প্ৰতিশ্ৰুতি দিছিল যদিও সেয়া কাৰ্যকৰী হৈ নুঠাত শিক্ষক সন্থাই এই সংবাদমেলৰ আয়োজন কৰে। সন্থাই লগতে অহা ১০ ফেব্ৰুৱাৰীত পুনৰ আমৰণ অনশন আৰম্ভ কৰিব বুলি সংবাদমেলত ঘোষণা কৰে।

0000000

গুৱাহাটী ডবা একাডেমীৰ প্ৰশিক্ষাৰ্থী বিকাশজ্যোতি বৰা ফিডে ৰেটিং লাভ কৰা অসমৰ প্ৰথমগৰাকী দৃষ্টিহীন ডবা খেলুৱৈ ৰূপে পৰিগণিত হৈছে। যোৱা ১ ফেব্ৰুৱাৰীত বিশ্ব ডবা সংস্থাই প্ৰকাশ কৰা ফিডে ৰেটিং তালিকা অনুসৰি তেওঁ ১,৫৬৬ ৰেটিং পইণ্ট লাভ কৰে। যোৱা বছৰৰ ২৪ ডিচেম্বৰৰ পৰা ৩০ ডিচেম্বৰলৈ গুৱাহাটীত অনুষ্ঠিত এছ পি এছ গুৱাহাটী ইণ্ডিয়া অপেন ইণ্টাৰনেচনেল ৰেটিং ডবা প্ৰতিযোগিতাত প্ৰদৰ্শনৰ ভিত্তিত তেওঁক এই ৰেটিং দিয়া হয়।

0000000

ধিং-নগাঁও সংযোগী লোকনিৰ্মাণ বিভাগৰ পথত সৰস্বতী পূজাৰ দিনা সংঘটিত এটা ভয়ংকৰ দুৰ্ঘটনাত আঘাতপ্ৰাপ্ত উপেন শইকীয়া নামৰ এজন লোকৰ আজি গুৱাহাটী চিকিৎসা মহাবিদ্যালয় হাস্পতালত মৃত্যু হয়। তেওঁ ধিং পাব্লিক হাইস্কুলৰ চতুৰ্থ বৰ্গৰ কৰ্মচাৰী আছিল বুলি জানিব পৰা গৈছে।

0000000

সমাপ্ত